**SANITARY NAPKIN VENDING MACHINE AND DISPOSAL MACHINE INSTALLED AT 10 NOS. OF SCHOOLS UNDER GOALPARA DISTRICT BY ASSAM STATE DISASTER MANAGEMENT AUTHORITY IN COLLABORATION WITH DISTRICT DISASTER MANAGEMENT AUTHORITY, GOALPARA ON 26TH AND 27TH JULY, 2021.**







# দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ প্ৰশংসনীয় পদক্ষেপ

**গোৱালপাৰা** ঃ নিজা বাতৰি দিওঁতা, ২৯ জুলাই ঃ অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ নিৰ্দেশমৰ্মে আজি গোৱালপাৰা জিলাৰ পাঁচটা ৰাজহ চক্ৰৰ নিৰ্বাচিত দহখন বিদ্যালয়ত ২০টা ছেনিটাৰী নেপ্‌কিন ভেণ্ডিং মেচিন আৰু ডিছপ'জেল মেচিন স্থাপন কৰা হয়। বানপানীৰ সময়ত ব্যৱহাৰ কৰা এই দহখন বিদ্যালয়ত মহিলা আৰু যুৱতীসকলৰ ঋতুস্ৰাৱৰ সময়ত সন্মুখীন হোৱা সমস্যাৰ সমাধান কল্পে চেণ্ট্ৰেল গাৰ্লছ হাইস্কুল, নিউ গোৱালপাৰা হাইস্কুল, সুতাৰপাৰা মাজৰগাঁও এম ই স্কুল, জে এন হাইস্কুল, দুধনৈ হাইস্কুল, আমজোঙা হাইস্কুল, পদুপাৰা বিজয়পুৰ এম ই মাদ্ৰাছা, হাটোগাঁও এম ভি স্কুল আৰু চুনাৰী মনচুৰীয়া এম ই মাদ্ৰাছাত এই ব্যৱস্থা কৰা হৈছে। গোৱালপাৰা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া কমল নাৰায়ণ পাঠকে জনোৱা মতে, বানপানীৰ সময়ত মহিলা বা যুৱতীসকলৰ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি মেচিন দুটা ব্যৱহাৰৰ উপযোগী কৰি তোলা হৈছে যদিও পিছলৈ বিদ্যালয়ৰ মহিলা বা ছাত্ৰীসকলেও ব্যৱহাৰ কৰিব পাৰিব।